**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 12-06-2025 **Time :** 0755Hrs.

**<u>Assamese Morning Bulletin</u>**

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নামেৰে ৰাজ্য চৰকাৰে প্ৰৱৰ্তন কৰা ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটা আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন ধ্ৰুপদী নৃত্যশিল্পী ড০ সোনাল মানসিঙক আজি প্ৰদান কৰা হ'ব। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই ড০ মানসিঙক এই বৰ্ষৰ শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদান কৰিব। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকিব। বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তনৰ জৰিয়তে অসমত আধ্যাত্মিক নৱজাগৰণৰ সূচনা কৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শৰাজী বিশ্বৰ প্ৰেক্ষাপটত দাঙি ধৰাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে ১৯৮৬ চনৰ পৰা সাহিত্য, কলা, সংস্কৃতি, সাংবাদিকতাকে ধৰি বিভিন্ন ক্ষেত্ৰত ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় খ্যাতি অৰ্জন কৰা ব্যক্তিলৈ এই বঁটা আগবঢ়াই আহিছে। এই বঁটাত নগদ ধনৰ উপৰি এখন প্ৰশংসা পত্ৰ, এটা সোণৰ পদক, এখন শৰাই আৰু অংগবস্ত্ৰ আগবঢ়োৱা হয়। ২০০৮ চনৰ পৰা প্ৰতি ৩ বছৰৰ ব্যৱধানত এই বঁটা প্ৰদান কৰি অহা হৈছে।

০০০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই যোৰহাট জিলাৰ টীয়ক প্ৰথম প্ৰেৰিত চিকিৎসালয় অৰ্থাৎ এফ আৰ ইউত কালি জিলাখনৰ তৃতীয়টো ডায়েলাইছিছ ইউনিট উদ্বোধন কৰে। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ ৰাজহুৱা, ব্যক্তিগত অংশীদাৰিত্বৰ অধীনত স্থাপন কৰা এই অত্যাধুনিক ডায়েলাইছিছ ইউনিটটোৱে অঞ্চলটোৰ চিকিৎসা সেৱাৰ প্ৰয়োজনীয়তা পূৰ কৰিব বুলি আশা কৰা হৈছে। অনুষ্ঠানত মৰিয়নি বিধানসভা সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ লগতে জিলা প্ৰশাসনৰ বিভিন্ন বিষয়া আৰু ভালেমান ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে কেন্দ্ৰীয় চৰকাৰে দেশৰ বিভিন্ন মফচলীয়া স্থানত ব্যক্তিগত খণ্ডৰ সহযোগত ন্যূনতম ব্যয় সাপেক্ষে অত্যাধুনিক সুবিধাযুক্ত ডায়েলাইছিছ কেন্দ্ৰ স্থাপন কৰিছে। অসমত ইতিমধ্যে ৩৪ খন জিলাত ৫৯টা এনে কেন্দ্ৰ মুকলি কৰা হৈছে।

০০০০০০

লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱাই কালি মিছামাৰী নদী নিয়ন্ত্ৰণৰ লক্ষ্যৰে নিৰ্মাণ কৰিবলৈ লোৱা মথাউৰিৰ আধাৰশিলা স্থাপন কৰে। মহাৰাষ্ট্ৰৰ পুনেৰ 'নাম ফাউণ্ডেচন' নামৰ এটা বেচৰকাৰী সংস্থাৰ আৰ্থিক সাহায্যত এই মথাউৰিটো নিৰ্মাণ কৰা হ'ব। আধাৰশিলা স্থাপন অনুষ্ঠানত সাংসদ বৰুৱাই বান আৰু খহনীয়াৰ পৰা জীৱন আৰু সম্পত্তিৰ সুৰক্ষা সুনিশ্চিত কৰাত চৰকাৰে সদায়ে অগ্ৰাধিকাৰ দি আহিছে বুলি উল্লেখ কৰে। তেওঁ কয়, যে মিছামাৰী নদী আৰু ইয়াৰ জল নিৰ্গমন স্থলসমূহৰ ওপৰত নিৰ্মীয়মান দলং আৰু কালভাৰ্টসমূহত পানীৰ গতিপথক লক্ষ্য কৰি মথাউৰি নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে। অনুষ্ঠানত জিলা আয়ুক্ত ৰাহুল সুৰেশ জাভিৰ, ধেমাজি জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, চিচিবৰগাঁও চক্ৰ বিষয়া আদিকে ধৰি বহুসংখ্যক শীৰ্ষ বিষয়া তথা অন্যান্য লোক উপস্থিত থাকে।

০০০০০০০

বাৰিষাৰ সময়ত ডেংগু, মেলেৰীয়া, জাপানীজ এনচেফেলাইটিছ সদৃশ ৰোগৰ প্ৰাদুৰ্ভাৱ ৰোধ কৰাৰ সন্দৰ্ভত যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়ত কালি জিলা কাৰ্যবাহিনীৰ এখন সভা অনুষ্ঠিত হয়। অতিৰিক্ত জিলা আয়ুক্তৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত বাহকজনিত ৰোগ নিয়ন্ত্ৰণ তথা নিৰাময়ৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰা হয়। সভাত যোৰহাট পৌৰসভাৰ পৌৰপতি, জিলা প্ৰশাসনৰ বিষয়াসকলৰ উপৰি স্বাস্থ্য বিভাগৰ কেইবাগৰাকী বিষয়া উপস্থিত থাকে।

০০০০০০০

কেন্দ্ৰীয় শিক্ষা মন্ত্ৰালয়ে চৰাইদেউ জিলাৰ সাপেখাঁটিত এখন নতুন জৱাহৰ নবোদয় বিদ্যালয় নিৰ্মাণৰ অনুমোদন জনাইছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে কালি এই কথা সদৰি কৰি কয়, যে নতুন বিদ্যালয়খনৰ সংযোজনে জিলাখনৰ শিক্ষাৰ মান অধিক শক্তিশালী কৰাৰ লগতে শিশুসকলক উন্নত শিক্ষাৰ সুযোগ প্ৰদান কৰিব। এই সিদ্ধান্তৰ বাবে তেওঁ কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানক কৃতজ্ঞতা জ্ঞাপন কৰে।

০০০০০০০

তিনিচুকীয়া জিলাৰ জিলা আয়ুক্ত স্বপ্নীল পালে কালি হাঁহচৰা মণ্ডল প্ৰাথমিক বিদ্যালয় পৰিদৰ্শন কৰি কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত পৰ্যালোচনা কৰে। জিলাখনৰ চাহ বাগিচাৰ অন্তৰ্গত বিদ্যালয়সমূহৰ সকলো ছাত্ৰ-ছাত্ৰীৰ আধাৰকাৰ্ড আৰু জন্মৰ প্ৰমাণপত্ৰৰ সুবিধা লাভ, বিদ্যালয়সমূহত গাঁথনিগত আৰু গাণিতিক সাক্ষৰতাৰ কাৰ্যসূচী ৰূপায়ণ, মধ্যাহ্ন ভোজন আঁচনিৰ অধীনত প্ৰতি সপ্তাহত অন্ততঃ এটা অতিৰিক্ত কণী প্ৰদান আৰু বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি তথা আধাতে বিদ্যালয় এৰি যোৱাৰ হাৰ আৰু ইয়াৰ কাৰণ আদি বিষয়ত পৰ্যালোচনা কৰা হয়। জিলা আয়ুক্তগৰাকীয়ে বিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীৰ আধাৰ নামভৰ্তিৰ বাবে এটা আধাৰ শিবিৰো মুকলি কৰে। এই পৰ্যালোচনা বৈঠকত অতিৰিক্ত, বিদ্যালয়ৰ পৰিদৰ্শক, স্বাস্থ্য বিভাগৰ প্ৰতিনিধি তথা অন্যান্য বিষয়াসকল উপস্থিত থাকে। তেওঁ বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ সৈতেও মত বিনিময় কৰে।

০০০০০০

ৰাজ্যত উৎকট গৰমে জনসাধাৰণৰ জীৱন বিপৰ্যস্ত কৰি তোলাৰ সময়তে ডিব্ৰুগড় জিলাৰ দুলীয়াজানত কালি এজন লোকৰ গৰমৰ বাবে মৃত্যু হোৱাৰ সন্দেহ কৰা হৈছে। দুলীয়াজানৰ অইল ইণ্ডিয়াৰ অগ্নিনিৰ্বাপক বাহিনীৰ কাৰ্যালয়ৰ সমীপত মৃতদেহটো উদ্ধাৰ কৰা হয়। আৰক্ষীয়ে এই পৰ্যন্ত মৃত লোকজনৰ পৰিচয় জানিব পৰা নাই।

০০০০০০০

ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত ডিব্ৰুগড় জিলা খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগে কালি মানকটা সমবায় সমিতি আৰু তিলৈনগৰ সমবায় সমিতিৰ লগতে বিভিন্ন এলেকাৰ সুলভ মূল্যৰ দোকানৰ এজেণ্টসকলে হিতাধিকাৰীৰ মাজত তিনিমাহৰ চাউল বিতৰণ কৰে। জিলাখনত এহেজাৰ ৫৫২ গৰাকী সুলভ মূল্যৰ দোকানৰ এজেণ্টে ৯৪ দশমিক ৩-৬ শতাংশ হিতাধিকাৰীৰ মাজত চাউল বিতৰণ কৰিছে। চাউল সংগ্ৰহ কৰিবলৈ বাকী থকা হিতাধিকাৰীসকলক অহা ২০ জুনৰ ভিতৰত সুলভ মূল্যৰ দোকানৰ এজেণ্টৰ পৰা নিজৰ প্ৰাপ্য সংগ্ৰহ কৰিবলৈ বিভাগে আহ্বান জনাইছে।

০০০০০০

**সমাপ্ত**